**ড° গকুল গগৈ, সহকাৰী অধ্যাপক, এম.চি.কলেজ**

# অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বিশ্লেষণ


অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক আলোচনাত বাক্যৰ অংগসমূহৰ ব্যাকৰণসন্মত বিশ্লেষণ আগবঢ়োৱা হয়। বাক্যক শব্দগুচ্ছলৈ, শব্দগুচ্ছক শব্দলৈ, শব্দৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰূপাংশলৈ ভাঙি বিশ্লেষণ কৰা হয়। তদুপৰি বাক্যৰ অন্তৰ্গত শ্বাসাঘাত, সুৰলহৰ, সন্ধি আদিও বিশ্লেষণ কৰা হয়। নিম্নলিখিত চাৰিটা দৃষ্টিভংগীৰে অসমীয়া বাক্যৰ বিশ্লেষণ দাঙি ধৰিব পাৰি —

**(১) অসমীয়া বাক্যৰ অৱস্থানগত বিভাজন অনুসৰি ঃ**

অসমীয়া বাক্যৰ দুটা বৃহৎ ভাগ আছে — উদ্দেশ্য আৰু বিধেয়। উদ্দেশ্যৰ স্থানত নাম প্ৰধান পদ ৰূপে নামপদ অৰ্থাৎ কৰ্তা (বিশেষ্য আৰু সৰ্বনাম পদ) আৰু বিধেয়ৰ স্থানত ক্ৰিয়া পদ বহে। তদুপৰি কিছুমান দীঘল বাক্যত কৰ্তা আৰু ক্ৰিয়াপদ — দুয়োটা পদৰে আগত নিৰ্দিষ্ট পদটোৰ সম্প্ৰসাৰক পদবোৰ থাকে। যেনে ঃ

**বাক্য ঃ** ‘বুঢ়া গৰুটোৱে পথাৰত ঘাঁহ খাইছে।’

— এই বাক্যটোক উদ্দেশ্য, বিধেয় আৰু ইহঁতৰ সম্প্ৰসাৰক পদ অনুসৰি ভাঙিলে এনে হ’ব ঃ




এই বাক্যটোত ‘গৰুটোৱে’ কৰ্তা অৰ্থাৎ উদ্দেশ্য আৰু ‘খাইছে’ ক্ৰিয়া অৰ্থাৎ বিধেয়। ‘গৰুটোৱে’ কৰ্তাপদৰ ‘বুঢ়া’ সম্প্ৰসাৰক পদ আৰু ‘পথাৰত ঘাঁহ’ আদি পদবোৰ ‘খালে’ ক্ৰিয়াপদৰ সম্প্ৰসাৰক পদ। মনকৰিবলগীয়া যে সম্প্ৰসাৰক পদবোৰ যি যি পদৰ সম্প্ৰসাৰক, সেই পদৰ আগত বহে।

**(২) অসমীয়া বাক্যৰ স্বাভাৱিক গঢ় অনুসৰি বিশ্লেষণ ঃ**

সৰল অসমীয়া বাক্যৰ স্বাভাৱিক গঢ় হ’ল — কৰ্তা + কৰ্ম + ক্ৰিয়া (S + O +V)। সাধাৰণতে বাক্যৰ প্ৰধান অংগ সম্বন্ধ পদৰ বাহিৰে বাকী কৰ্তা, কৰ্ম, নিমিত্ত, অপাদান, অধিকৰণ আদি প্ৰত্যেকটো কাৰকবাচক পদৰ লগত ক্ৰিয়া পদৰ সম্পৰ্ক থাকে । যেনে ঃ

| | |
|---|---|
| কৰ্তা + ক্ৰিয়া | ঃ মই খাওঁ। |
| কৰ্তা + কৰ্ম + ক্ৰিয়া | ঃ মই ভাত খাওঁ। |
| কৰ্তা + কৰণ + কৰ্ম + ক্ৰিয়া | ঃ মই হাতেৰে ভাত খাওঁ। |
| কৰ্তা + নিমিত্ত +কৰণ + কৰ্ম + ক্ৰিয়া | ঃ মই ভোক গুচাবলৈ হাতেৰে ভাত খাওঁ। |

কৰ্তা + অপাদান + কৰ্ম + ক্ৰিয়া ঃ মই কাঁহীৰপৰা ভাত খাওঁ।

কৰ্তা + অধিকৰণ + কৰ্ম + ক্ৰিয়া ঃ মই কাঁহীত ভাত খাওঁ।

এনেদৰে বিভিন্ন কাৰকবাচক পদৰ লগত সংগতি ৰক্ষা কৰি ভিন্ন বাক্য গঠন কৰা হয়। এই পদবোৰৰ খণ্ডিতকৰণৰ জৰিয়তে বাক্য বিশ্লেষণ কৰিব পাৰি।

**(৩) খণ্ডবাক্য গঠনৰ নিয়ম অনুসৰি বাক্যৰ বিশ্লেষণ ঃ**


মানুহে ভাব প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা বাক্য গঠনৰ নিয়ম সীমিত। সেই সীমিত নিয়মৰ আধাৰতে মানুহে ভিন্ন অৰ্থবাচক শব্দ বা পদৰ উৎপাদন বা সৃজন অজস্ৰ বাক্য গঠন কৰিব পাৰে। যিবোৰ বাক্য মৌলিক অৰ্থাৎ যিবোৰ বাক্য ৰূপান্তৰ নিয়ম প্ৰয়োগ নকৰাকৈ সৃষ্টি হয়, চমস্কিয়ে সেই মূল বাক্যবোৰক 'সাৰ বাক্য' বুলি অভিহিত কৰিছে। চমস্কিৰ মতে বাক্যত দুই প্ৰকাৰৰ খণ্ডবাক্য থাকে —

(ক) বিশেষ্য খণ্ডবাক্য (Noun phrase)

(খ) ক্ৰিয়া খণ্ডবাক্য (Verb phrase)

অসমীয়া ভাষাৰ বাক্যকো এই দুই খণ্ডত বিভক্ত কৰি বিশ্লেষণ কৰিব পাৰি। যেনেঃ

**বাক্য ঃ** 'এইজন মানুহে কালি এখন নতুন গাড়ী কিনিছিল ।'




এনেদৰে ব্যক্যতাত্ত্বিক বিশ্লেষণত নিৰ্দিষ্ট নিয়মেৰে অসংখ্য সুগঠিত আৰু গ্ৰহণযোগ্য বাক্য গঠন কৰিব পাৰি।

কিছুমান ব্যাকৰণগত উপাদানেৰে বাক্য গঠিত হয়। নোয়ম চমস্কিৰ তত্ত্বমতে বাক্যৰ ব্যাকৰণগত উপাদানসমূহক খণ্ডবাক্য গঠনৰ নিয়মেৰে তলত দিয়া উদাহৰণৰ দৰে বিশ্লেষণ কৰি দেখুৱাব পাৰি।

**বাক্য ঃ** 'মোৰ ছাত্ৰজনে বৰ ধুনীয়াকৈ কবিতাটি আবৃত্তি কৰিলে। ' — বাক্যটি বিশ্লেষণ কৰিলে ৰূপবোৰ এনেধৰণৰ হ'ব ঃ

(১) বিশেষ্য খণ্ডবাক্য — মোৰ ছাত্ৰজনে

সৰ্বনাম — মোৰ

বিশেষ্য — ছাত্ৰজনে

(২) ক্ৰিয়া খণ্ডবাক্য — বৰ ধুনীয়াকৈ কবিতাটি আবৃত্তি কৰিলে

ক্ৰিয়া — কৰিলে

বিশেষ্য — কবিতা

বিশেষ্য — আবৃত্তি

নিৰ্দিষ্টতাবাচক — -টি

বিশেষণীয় বিশেষণ — বৰ

ক্ৰিয়া বিশেষণ — ধুনীয়াকৈ

**(৪) অসমীয়া বাক্যৰ গাঁথনিক সংগতি অনুসৰি বিশ্লেষণ ঃ**

বাক্যৰ অন্তৰ্গত খণ্ডবাক্য, বাক্যাংশ, উপবাক্য আদি বাক্যৰ উপাদান বা অংগ। এই উপাদানবোৰৰ মাজত এক নিকট সম্পৰ্ক থাকে। তাকে ভাষাবিজ্ঞানী ব্লুমফিল্ডে আসন্ন অংগ বুলি অভিহিত কৰিছে। তলৰ বাক্যটোৰ আসন্ন অংগসমূহক এনেদৰে দেখুৱাব পাৰি —

**বাক্য** ঃ 'মই পকা আমবোৰ বাৰীৰপৰা পাৰি আনিছিলোঁ।'

মই পকা আমবোৰ | বাৰীৰপৰা পাৰি আনিছিলোঁ।

মই | পকা আমবোৰ | বাৰীৰপৰা | পাৰি আনিছিলোঁ।

মই | পকা | আমবোৰ | বাৰীৰপৰা | পাৰি | আনিছিলোঁ।

পাশ্চাত্যৰ অন্য এজন ভাষাবিজ্ঞানী নোয়ম চমস্কিয়ে 'Aspects of the Theory of Syntax' নামৰ গ্ৰন্থত বাক্যৰ দুই প্ৰকাৰৰ গঠনৰ কথা কৈছে — (ক) বাহ্যিক গঠন আৰু (খ) আভ্যন্তৰীণ গঠন

প্ৰত্যেক বাক্যৰ অন্তৰ্গত শব্দ বা পদসমূহৰ এটা নিৰ্দিষ্ট অৰ্থ থাকে, সি বাক্যৰ এটাৰ বাহ্যিক গঠন। আনহাতে সেই বাহ্যিক গঠন বা শব্দসমূহৰ সামগ্ৰিক গঠনৰ অন্তৰালত এক গভীৰ অৰ্থ নিহিত থাকে। সি বাক্যৰ আভ্যন্তৰীণ গঠন। যেনে ঃ

| **বাহ্যিক গঠন** | **আভ্যন্তৰীণ গঠন** |
| --- | --- |
| (ক) আপোনাৰ গৰম উঠা নাইনে? | (ক) মানে বক্তাজনৰ গৰম উঠিছে। |
| (খ) কলেজলৈ নগ'লে নহ'ব নেকি? | (খ) মানে কলেজলৈ যাবই লাগিব। |
| (গ) আলহীজন যাবগৈ নহয়? | (গ) মানে আলহীজন যোৱাটো বিচাৰিছে। |

— এনেদৰে বিভিন্ন নিয়মৰ আধাৰত অসমীয়া ভাষাৰ বাক্যক বিশ্লেষণ কৰি দেখুৱাব পাৰি।